জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৬৮/২০২০

# তিনিচুকীয়া জিলাৰ গুইজানত স্বৰ্গদেউ সৰ্বানন্দ সিংহৰ সমাধি ক্ষেত্ৰ আৰু গুইজানৰ দাঁতিকাষৰীয়া অঞ্চলৰ সুৰক্ষা আৰু সৌন্দৰ্যবৰ্দ্ধন আঁচনিৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰীয়ে

## ১৮ কোটি টকা ব্যয় সাপেক্ষ এই আঁচনিৰ জৰিয়তে গুইজান অঞ্চলৰ ১১ হাজাৰ হেক্টৰ ভূমি সুৰক্ষা প্ৰদানৰ লগতে অঞ্চলটোক আকৰ্ষণীয় পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্য লোৱা হৈছে ঃ মুখ্যমন্ত্ৰী

## পূৰ্বৰ কংগ্ৰেছ চৰকাৰে জলসম্পদ বিভাগটোক মাথো ধন উপাৰ্জনৰ আহিলা হিচাপে ব্যৱহাৰ কৰিছিল ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৮ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি তিনিচুকীয়া জিলাৰ গুইজান ঘাটত ব্ৰহ্মপুত্ৰ নদীৰ (অনন্ত নলা) গৰাৰ পুনৰ নিৰ্মাণ আৰু উন্নয়নৰ লগতে স্বৰ্গদেউ সৰ্বানন্দ সিংহ সমাধি ক্ষেত্ৰ আৰু গুইজানৰ দাঁতিকাষৰীয়া অঞ্চলৰ সুৰক্ষা আৰু সৌন্দৰ্যবৰ্দ্ধন আঁচনিৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰে। ড'নাৰ মন্ত্ৰালয়ৰ অধীনত উত্তৰ-পূব বিশেষ আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ শিতানত ১৮ কোটি টকা ব্যয় সাপেক্ষে হাতত লোৱা এই আঁচনিৰ জৰিয়তে গুইজান অঞ্চলৰ প্ৰায় ডেৰ কিলোমিটাৰ দৈৰ্ঘ্যৰ নদীৰ গৰা সুৰক্ষাৰ লগতে বৃহত্তৰ অঞ্চলটোৰ প্ৰায় ১১ হাজাৰ হেক্টৰ ভূমিক সুৰক্ষা প্ৰদান কৰিব পৰা যাব।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে স্বৰ্গদেউ সৰ্বানন্দ সিংহৰ এই পৱিত্ৰ ভূমিক নদীৰ খহনীয়াৰ পৰা চিৰকাললৈ সুৰক্ষিত কৰাৰ লগতে ৰাজ্যখনৰ ভিতৰতে এক আকৰ্ষণীয় পৰ্যটনস্থলী হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে এই আঁচনি গ্ৰহণ কৰিছে। জীৱ বৈচিত্ৰ্যৰ আকৰ ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ পাৰ্শ্বৱৰ্তী এই গুইজান অঞ্চলৰ নৈসৰ্গিক সৌন্দৰ্য অতুলনীয় বুলি অভিহিত কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ১৮ কোটি টকা ব্যয় সাপেক্ষ এই আঁচনিৰ কাম সম্পূৰ্ণ হৈ উঠিলে এই অঞ্চলটো সমুদ্ৰ তীৰৰ দৰে আকৰ্ষণীয় হৈ উঠিব। গুইজানৰ ৰাইজৰ দীৰ্ঘদিনীয়া সংগ্ৰামৰ প্ৰতি সন্মান জনাই চৰকাৰে গ্ৰহণ কৰা এই আঁচনি সঠিক ৰূপত ৰূপায়ণৰ বাবে নিৰ্মাণৰ দায়িত্বত নিয়োজিত লোকসকলক সহায়-সহযোগিতা আগবঢ়াবলৈ তথা নিৰ্মাণ কাৰ্যৰ ওপৰত চোকা দৃষ্টি ৰাখিবলৈ তেওঁ গুইজানবাসী ৰাইজৰ প্ৰতি আহ্বান জনায়। এই গুইজান অঞ্চলৰ সুৰক্ষাৰ বাবে দীৰ্ঘদিন ধৰি মাত

মাতি অহা সদৌ অসম মটক সন্মিলন, মটক যুৱ ছাত্ৰ সন্মিলন, আৰু মটক মহিলা পৰিষদৰ বিষয়ববীয়াসকলৰ প্ৰতিও মুখ্যমন্ত্ৰীয়ে ধন্যবাদ জ্ঞাপন কৰে।

মুখ্যমন্ত্ৰীয়ে কয় যে বিগত সময়ছোৱাত অসমৰ ৰাইজে বিজেপি নেতৃত্বাধীন মিত্ৰ জোটৰ চৰকাৰখনক যি মৰম-চেনেহ দিছে তাৰ বাবে অসমৰ ৰাইজৰ প্ৰতি তেওঁ চিৰ কৃতজ্ঞ। বিভিন্ন প্ৰত্যাহ্বান নেওচি ৰাজ্যখনৰ সৰু-বৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰ মান-স্বাভিমান ৰক্ষা কৰা তথা অৰ্থনৈতিক স্ব-নিৰ্ভৰশীলতাৰ বাবে ৰাজ্য চৰকাৰে নিষ্ঠা আৰু আন্তৰিকতাৰে পদক্ষেপ গ্ৰহণ কৰি আহিছে। পূৰ্বৰ কংগ্ৰেছ চৰকাৰে জলসম্পদ বিভাগটোক মাথো ধন উপাৰ্জনৰ আহিলা হিচাপে ব্যৱহাৰ কৰিছিল। নৈপৰীয়া আৰু বানপীড়িত ৰাইজৰ আৱেগ-অনুভূতিৰ কোনো মূল্য তেওঁলোকৰ ওচৰত নাছিল। কিন্তু বৰ্তমানৰ চৰকাৰখনৰ কাৰ্যকালত এই বিভাগটোৰ কাম-কাজত আমূল পৰিৱৰ্তন আহিছে। চলিত বৰ্ষত জলসম্পদ বিভাগে ইতিহাস সৃষ্টিকাৰী পদক্ষেপ গ্ৰহণ কৰি নৱেম্বৰ মাহতে মথাউৰি নিৰ্মাণ আৰু খহনীয়া প্ৰতিৰোধী কাম-কাজ আৰম্ভ কৰিছে। এই প্ৰসংগত আজি কিছুদিনৰ পূৰ্বে সৰ্থেবাৰীত একেলগে ৰাজ্যখনৰ বিভিন্ন স্থানত হাতত লোৱা জলসম্পদ বিভাগৰ ২০০ টা কামৰ শুভাৰম্ভৰ কথা তেওঁ উল্লেখ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ বাবে দেশবাসীৰ প্ৰতি জনোৱা আহ্বানলৈ সহাৰি জনাই ৰাজ্যৰ যুৱ শক্তিও আজি কৰ্ম সংস্কৃতিৰ প্ৰতি আকৰ্ষিত হৈছে বুলি মন্তব্য কৰি তেওঁ কয় যে মাথো কঠোৰ পৰিশ্ৰমৰ দ্বাৰাহে আমাৰ অঞ্চলটোৰ লগতে ৰাজ্যখনক দেশৰ অন্যতম শ্ৰেষ্ঠ ৰাজ্য হিচাপে গঢ়ি তুলিব পৰা যাব। এক ঐতিহাসিক গণ অভ্যুত্থানৰ জৰিয়তে শক্তিশালী বেংমৰা ৰাজ্য প্ৰতিষ্ঠা কৰা স্বৰ্গদেউ সৰ্বানন্দ সিংহ সমন্বয় আৰু একতাৰ প্ৰতীক বুলি অভিহিত কৰি তেওঁৰ আদৰ্শৰে এখন শক্তিশালী সমাজ গঢ়াৰ বাবে ঐক্যবদ্ধভাৱে আগবাঢ়ি আহিবলৈ তেওঁ ৰাইজলৈ আহ্বান জনায়।

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পাৰ্শ্বৱৰ্তী জিলা কেইখনৰ প্ৰশাসন, আৰক্ষী, বন বিভাগ আৰু ৰাইজে যেনেদৰে সন্মিলিত প্ৰয়াসেৰে উদ্যানখনক চোৰাং চিকাৰীৰ হাতোৰাৰ পৰা বহুলাংশে মুক্ত কৰিবলৈ সক্ষম হৈছে, একেদৰে ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ সুৰক্ষাৰ বাবেও পাৰ্শ্বৱৰ্তী জিলাকেইখনৰ সংশ্লিষ্ট বিভাগসমূহ তথা স্থানীয় ৰাইজক আগবাঢ়ি আহিবলৈ তেওঁ আহ্বান জনায়। ইয়াৰ জৰিয়তেহে ডিব্ৰু-চৈখোৱাক কাজিৰঙাৰ দৰে এক আন্তৰ্জাতিক পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তুলিব পৰা যাব বুলি তেওঁ কয়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি জলসম্পদ বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই কয় যে জলসম্পদ বিভাগটোৱে এতিয়া পৰম্পৰাগতভাৱে মথাউৰি নিৰ্মাণ আৰু খহনীয়া প্ৰতিৰোধী কাম-কাজৰ মাজতে নিজকে সীমাবদ্ধ নাৰাখি নিজৰ কাম-কাজৰ পৰিসৰ বহল কৰি তুলিছে। আজি গুইজানত হাতত লোৱা এই বৃহৎ প্ৰকল্পটো তাৰে এক উজ্জ্বল নিদৰ্শন বুলি তেওঁ মন্তব্য কৰে। তেওঁ কয় যে ৰাজ্য চৰকাৰৰ পুৰাতত্ত্ব বিভাগে ৰাজ্যখনৰ সকলো ৰজাদিনীয়া ঐতিহ্যৰ পুনৰ সংৰক্ষণৰ পদক্ষেপ গ্ৰহণ কৰিছে। স্বাধীনতাৰ পিছৰ কোনো এখন চৰকাৰে এই গুৰুত্বপূৰ্ণ কামটোৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰা নাছিল বুলি উল্লেখ কৰি তেওঁ কয় যে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ বলিষ্ঠ আৰু সাহসী নেতৃত্বৰ বাবেহে এয়া সম্ভৱ হৈ উঠিছে।

জলসম্পদ বিভাগৰ মুখ্য অভিযন্তা বৰসিং ৰংপীয়ে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ অনুষ্ঠানত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, সাংসদ প্ৰদান বৰুৱা আৰু স্থানীয় বিধায়ক বিনোদ হাজৰিকাইও ভাষণ প্ৰদান কৰে।

অনুষ্ঠানত চাহ জনজাতি কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী সঞ্জয় কিষাণ, বিধায়কসকল ক্ৰমে প্ৰশান্ত ফুকন, তেৰছ গোৱালা, বিমল বৰা, ভাস্কৰ শৰ্মা, চক্ৰধৰ গগৈ আৰু সুৰেন ফুকন, তিনিচুকীয়া জিলাৰ উপায়ুক্ত দিগন্ত শইকীয়া, আৰক্ষী অধীক্ষক শিলাদিত্য চেতিয়াৰ লগতে জলসম্পদ বিভাগ, জিলা প্ৰশাসনৰ বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকল আৰু বহু সংখ্যক স্থানীয় ৰাইজ উপস্থিত থাকে।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী সোণোৱালে আজি গুইজানত উপস্থিত হৈ স্বৰ্গদেউ সৰ্বানন্দ সিংহৰ সমাধিত বন্তি প্ৰজ্জ্বলন কৰাৰ লগতে তেখেতৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধা নিবেদন কৰে।

আনহাতে আঁচনিখনৰ শুভাৰম্ভ অনুষ্ঠানৰ পাছতে মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী, মন্ত্ৰী সঞ্জয় কিষাণ, সাংসদ প্ৰদান বৰুৱা আৰু বিধায়কসকলক লগত লৈ ডিব্ৰু নৈৰ বুকুত ফেৰীৰে পৰিভ্ৰমণ কৰি ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ পাৰ্শ্বৱৰ্তী এলেকা পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ সময়ত বন বিভাগৰ উচ্চপদস্থ বিষয়াবৰ্গও উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**
**১৮/১১/২০২০**